# REGIONAL NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
# 0000000000

**Date :** 21-03-2025
**Time :** 0900 hrs

ASSAMESE MORNING BULLETIN

::::::::::::::::::::

১।	নামৰূপৰ ইউৰিয়া প্ৰকল্পত অসম চৰকাৰৰ অংশীদাৰিত্ব ৪০ শতাংশ কৰাত অসম মন্ত্ৰীসভাৰ অনুমোদন।

২।	মন্ত্ৰীসভাৰ অৰুণাচল প্ৰদেশত বাস কৰা মৰাণ জনগোষ্ঠীৰ লোকসকলক অসমত স্থায়ী বাসিন্দাৰ প্ৰমাণ পত্ৰ প্ৰদানৰ সিদ্ধান্ত।

৩।	ডিব্ৰুগড়, গুৱাহাটী আৰু শিলচৰত সুৰাৰ দোকানৰ বাহিৰে আন সকলো দোকান-পোহাৰ ২৪ ঘণ্টাই খোলা ৰখাত মন্ত্ৰীসভাৰ সেউজ সংকেত।

৪।	২ এপ্ৰিলত হ'বলগীয়া ৰাভা-হাচং স্বায়িত্ব পৰিষদৰ নিৰ্বাচনৰ বাবে তৎপৰতা বৃদ্ধি।

*আৰু*

৫।	গুৱাহাটীত খেল' ইণ্ডিয়া অস্মিতা ৰাজ্যিক হকী লীগ প্ৰতিযোগিতা আৰম্ভ ।

০০০০০

অসম মন্ত্ৰীসভাই নামৰূপৰ ইউৰিয়া প্ৰকল্পত অসম চৰকাৰৰ অংশীদাৰিত্ব ৪০ শতাংশ কৰাত অনুমোদন দিছে। এই প্ৰকল্পত ভাৰত চৰকাৰৰ ৬০ শতাংশ আৰু অসম চৰকাৰৰ ৪০ শতাংশ অংশীদাৰিত্ব থাকিব। কালি ডিব্ৰুগড়ত অনুষ্ঠিত মন্ত্ৰীসভাৰ বৈঠকৰ অন্তত সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই এই বিষয়ে অৱগত কৰে। তেওঁ কয়, যে ১২ দশমিক সাত লাখ মেট্ৰিকটন ক্ষমতাৰ ইউৰীয়া আৰু এম'নিয়া উৎপাদন প্ৰকল্পটোৰ আধাৰশিলা স্থাপনৰ বাবে ছেপ্তেম্বৰ অথবা অক্টোবৰত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক আমন্ত্ৰণ জনোৱা হ'ব। বৈঠকত অৰুণাচল প্ৰদেশত বাস কৰা কিন্তু অসমত স্থায়ী বাসস্থান বা পূৰ্বপুৰুষৰ সম্পৰ্ক থকা মৰাণ জনগোষ্ঠীৰ লোকসকলক শৈক্ষিক উদ্দেশ্যত অসমত স্থায়ী বাসিন্দাৰ প্ৰমাণ পত্ৰ প্ৰদান কৰা হ'ব বুলিও সিদ্ধান্ত গ্ৰহণ কৰা হয়। ৰাষ্ট্ৰীয় স্বাস্থ্য মিছনত নিয়োজিত চিকিৎসা কৰ্মীসকলৰ ক্ষেত্ৰত নিয়মীয়া পদত নিযুক্তিৰ বাবে আবেদন দাখিলৰ বয়সৰ উৰ্ধসীমা নাথাকিব বুলি মন্ত্ৰীসভাই ঘোষণা কৰিছে। কামৰূপৰ চৰাইবাহা আৰু বঙাইগাঁৰৰ খোৰাগাঁও প্ৰস্তাৱিত সংৰক্ষিত বনাঞ্চলক সংৰক্ষিত বনাঞ্চল হিচাপে ৰূপান্তৰ কৰিবলৈ কালি অসম মন্ত্ৰীসভাই সিদ্ধান্ত গ্ৰহণ কৰে। ইয়াৰ ফলত অসমত সংৰক্ষিত বনাঞ্চল এলেকা ৭০০ হেক্টৰলৈ বৃদ্ধি পাব বুলি মুখ্যমন্ত্ৰী ড০ শৰ্মাই সংবাদমেলত ব্যক্ত কৰে।

এইবাৰৰ ৰাজ্যিক বাজেটত প্ৰস্তাৱ কৰা ড০ ভূপেন হাজৰিকা আঞ্চলিক চৰকাৰী চলচ্চিত্ৰ আৰু টেলিভিছন প্ৰতিষ্ঠানক ডিগ্ৰী প্ৰতিষ্ঠানলৈ উন্নীত কৰাৰ প্ৰস্তাৱতো মন্ত্ৰীসভাই অনুমোদন জনায়। স্বাধীনতা আন্দোলনৰ ছহিদ নিধানুৰাম ৰাজবংশীক সন্মান জনাই মন্ত্ৰীসভাৰ বৈঠকত গোৱালপাৰা অসামৰিক চিকিৎসালয়ক ছহিদগৰাকীৰ নামেৰে নামকৰণৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়। ড০ শৰ্মাই কালিৰ বৈঠকৰ সিদ্ধান্ত মৰ্মে অহা ৩১ মাৰ্চৰ পৰা ৰাজ্যৰ বিভিন্ন জিলাসমূহৰ গাঁও পঞ্চায়ত, নগৰীয়া স্থানীয় নিকায়ত স্বাস্থ্য আৰু সুস্থতা শিবিৰ আয়োজন কৰা হ'ব বুলিও ঘোষণা কৰে। ইয়াৰ লগতে মন্ত্ৰীসভাই কমতাপুৰ স্বায়ত্ব শাসিত পৰিষদ

আইনৰ সংশোধনীতো অনুমোদন জনায়। এই সংশোধনীয়ে পৰিষদীয় সমষ্টিৰ সংখ্যা পূৰ্বৰ ৩০ৰ পৰা ৩৬লৈ বৃদ্ধি কৰিব বুলি ড০ শৰ্মাই জানিবলৈ দিয়ে। চাহ বাগিচাত পথ নিৰ্মাণৰ বাবে ২৬২ কোটি টকা কালিৰ বৈঠকে অনুমোদন জনাইছে। ইয়াৰ লগতে অসমৰ প্ৰাক্তন মুখ্যমন্ত্ৰী গোলাপ বৰবৰাৰ জন্ম শতবাৰ্ষিকী অহা ২৯ আগষ্টৰ পৰা বছৰজোৰাকৈ আৰম্ভ কৰিবলৈ মন্ত্ৰীসভাই এখন উপ-সমিতি গঠনৰো সিদ্ধান্ত গ্ৰহণ কৰে। ঐতিহাসিক ৰংঘৰ প্ৰাংগনৰ কৃত্ৰিম বান নিয়ন্ত্ৰণৰ বাবেও এখন সমিতি গঠন কৰিবলৈ কালিৰ বৈঠকত সিদ্ধান্ত লোৱা বুলি ড০ শৰ্মাই সাংবাদিকৰ আগত প্ৰকাশ কৰে। তেওঁ লগতে কয়, যে ডিব্ৰুগড়, গুৱাহাটী আৰু শিলচৰত এতিয়াৰে পৰা ২৪ ঘণ্টাই দোকান-পোহাৰ খোলা ৰাখিব পাৰিব। অৱশ্যে সুৰাৰ দোকান আৰু বাৰৰ ক্ষেত্ৰত এই সিদ্ধান্ত প্ৰযোজ্য নহ'ব বুলি ড০ শৰ্মাই স্পষ্টকৈ জানিবলৈ দিয়ে।

***(বাইট ঃ মুখ্যমন্ত্ৰী)***

০০০০০

০০০০০

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কালি ডিব্ৰুগড়ত অৱস্থিত মুখ্যমন্ত্ৰীৰ সচিবালয়ত ডিব্ৰুগড় বিধানসভা সমষ্টিত ৰূপায়িত বিভিন্ন আঁচনিৰ অগ্ৰগতি সন্দৰ্ভত এখন পৰ্যালোচনা বৈঠকত অংশগ্ৰহণ কৰে। ইতিপূৰ্বে অসম মন্ত্ৰীসভাৰ বৈঠকত গ্ৰহণ কৰা ডিব্ৰুগড়-কেন্দ্ৰিক সিদ্ধান্তসমূহৰ ৰূপায়ণৰ অগ্ৰগতি সন্দৰ্ভতো মুখ্যমন্ত্ৰীয়ে কালিৰ বৈঠকত পৰ্যালোচনা কৰে। ড০ শৰ্মাই মানকাটা পথত ৰে'লৰে উৰণ সেতু, পল্টন বজাৰ হৈ গ্ৰাহাম বজাৰৰ পৰা অতিথিশালালৈ পথৰ উন্নয়ন, আন্তঃৰাষ্ট্ৰীয় সন্মিলন কক্ষ, অসম চিকিৎসা মহাবিদ্যালয়ত বহুমহলীয়া কৰ্মচাৰী আৱাসগৃহ নিৰ্মাণ আদি বিষয়সমূহ আলোচনা কৰি নিৰ্ধাৰিত সময়ত কামসমূহ সম্পূৰ্ণ কৰিবলৈ সংশ্লিষ্ট বিষয়াসকলক নিৰ্দেশ দিয়ে। বৈঠকখনত তেওঁ লোকনিৰ্মাণ, জলসম্পদ, গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা, শক্তি, পঞ্চায়ত আৰু গ্ৰামোন্নয়ন, ৰাজহ আদি বিভাগৰ অধীনত চলি থকা আন্তঃগাঁথনিমূলক প্ৰকল্পসমূহৰ অগ্ৰগতিৰো বুজ লয়। শৈক্ষিক দিশটোত বিশেষ গুৰুত্ব আৰোপ কৰি ড০ শৰ্মাই সমাগত শিক্ষা বৰ্ষৰ আৰম্ভণিতে শিক্ষাৰ্থীসকলে পাঠ্যপুথি লাভ কৰাটো সুনিশ্চিত কৰিবলৈ নিৰ্দেশ দিয়াৰ উপৰি সমগ্ৰ শিক্ষা অভিযানৰ অধীনত বিদ্যাৰ্থী আৰু শিক্ষকৰ নিয়মীয়া উপস্থিতিৰো খতিয়ান লয়। স্বাস্থ্য বিভাগৰ অধীনত ৰূপায়িত বিভিন্ন আঁচনিৰ লগতে টীকাকৰণ অভিযান, প্ৰসূতি আৰু শিশুৰ মৃত্যু হাৰ আদি বিষয়ৰো তেওঁ পৰ্যালোচনা কৰে। মুখ্যমন্ত্ৰীয়ে অৰুণোদয়, গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা বিভাগৰ অধীনত ৰূপায়িত বিভিন্ন আঁচনি, সংহত যান-বাহন ব্যৱস্থাপনা প্ৰকল্প, ডিব্ৰুগড় আৰক্ষীৰ বিভিন্ন দিশ আদিৰো বুজ লয়। পৰ্যালোচনা বৈঠকখনত মন্ত্ৰী জয়ন্ত মল্ল বৰুৱা, বিমল বৰা আৰু প্ৰশান্ত ফুকনৰ লগতে প্ৰশাসনিক তথা বিভিন্ন বিভাগৰ বিষয়াসকল উপস্থিত থাকে।

০০০০০

অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদৰ অধীনৰ উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষৰ আজি পিছবেলা হ'বলগীয়া গণিত বিষয়ৰ পৰীক্ষা অনিবাৰ্য কাৰণবশত পিছুৱাই দিয়া হৈছে। শিক্ষা পৰিষদৰ দ্বিতীয় মণ্ডলৰ পৰীক্ষা নিয়ন্ত্ৰকে জনোৱা মতে এই বিষয়ৰ পৰীক্ষাৰ দিন পাছত ঘোষণা কৰা হ'ব। পৰিষদৰ পৰীক্ষা নিয়ন্ত্ৰক ৰঞ্জন কুমাৰ দাসে আমাৰ বিশেষ সংবাদদাতাক জনোৱা মতে এটা পৰীক্ষা কেন্দ্ৰত প্ৰশ্নকাকত ফাদিল হোৱাৰ বিষয়ে সন্দেহ পোৱাৰ পৰিপ্ৰেক্ষিতত জৰুৰীভাৱে এই সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। সকলোবোৰ পৰীক্ষা কেন্দ্ৰৰ ভাৰপ্ৰাপ্ত

বিষয়াক এই পৰীক্ষাৰ বাবে মনোনীত মূল মহাবিদ্যালয়ত কালিৰ ভিতৰত গণিত বিষয়ৰ প্ৰশ্নকাকতৰ টোপোলাসমূহ জমা দিবলৈ কঠোৰ নিৰ্দেশ দিয়া হৈছে বুলিও পৰীক্ষা নিয়ন্ত্ৰকগৰাকীয়ে জানিবলৈ দিয়ে।

ooooo

অহা ২ এপ্ৰিলত হ'বলগীয়া ৰাভা হাছং স্বায়ত্ত শাসিত পৰিষদৰ নিৰ্বাচনৰ বাবে ৰাজনৈতিক দলসমূহৰ তৎপৰতাৰ লগতে প্ৰশাসনৰ প্ৰস্তুতিও তুংগত উঠিছে। নিৰ্বাচন পৰ্যবেক্ষক অৰূপ কুমাৰ শৰ্মা আৰু কুলশ্ৰী নাথে কালি কামৰূপ জিলাৰ নিৰ্বাচনী প্ৰস্তুতিৰ পৰ্যালোচনা কৰে। পৰ্যবেক্ষক দুগৰাকীয়ে জিলা আয়ুক্ত দেৱ কুমাৰ মিশ্ৰৰ উপস্থিতিত গণনা কক্ষ আৰু ষ্ট্ৰং ৰূম পৰিদৰ্শন কৰাৰ উপৰি সুৰক্ষা ব্যৱস্থাৰো পৰ্যালোচনা কৰে। দুয়োগৰাকীয়ে কামৰূপৰ সংহত জিলা আয়ুক্ত কাৰ্যালয়ত নিৰ্বাচনত অৱতীৰ্ণ প্ৰাৰ্থীসকলৰ তালিকা প্ৰকাশ প্ৰক্ৰিয়াও নিৰীক্ষণ কৰে।

ooooo

গুৱাহাটী, তেজপুৰ আৰু শিলচৰত অচিৰেই ইলেকট্ৰনিক্স আৰু তথ্য প্ৰযুক্তি প্ৰতিষ্ঠান ভাৰতীয় এ আই মিছনৰ অধীনত তিনিটা তথ্য আৰু কৃত্ৰিম বুদ্ধিমত্তা প্ৰয়োগশালা স্থাপন কৰা হ'ব। ৰাজ্যত শিক্ষাৰ মান উন্নীতকৰণ, কৃত্ৰিম বুদ্ধিমত্তা বিষয়ক গৱেষণা, বতৰৰ আগজাননী আদি কামত ব্যৱহাৰ কৰাৰ উপৰি এই প্ৰয়োগশালাকেইটাৰ জৰিয়তে ৰাজ্যৰ সকলো আই টি আই, পলিটেকনিক আৰু ইঞ্জিনীয়াৰিঙৰ শিক্ষাৰ্থীক কৃত্ৰিম বুদ্ধিমত্তা আৰু তথ্য বিজ্ঞানৰ প্ৰশিক্ষণৰ ব্যৱস্থা কৰা হ'ব। বানপানীৰ আগতীয়া অনুমান, কৃত্ৰিম বুদ্ধিমত্তা-ভিত্তিক ব্যৱস্থাৰে কৃষি উৎপাদন বৃদ্ধি, কৃত্ৰিম বুদ্ধিমত্তাৰ সহায়ত অসমীয়া ভাষাৰ অনুবাদ আদি সুবিধাৰ লগতে স্থানীয় ষ্টাৰ্টআপ প্ৰতিষ্ঠান আৰু উদ্যমীসকলৰ বাবেও এই বিশেষ ব্যৱস্থা সহায়ক হ'ব বুলি আশা কৰা হৈছে।

ooooo

অসম সাহিত্য সভাই নিজাববীয়াকৈ এখন প্ৰাথমিক বিদ্যালয় স্থাপন কৰাৰ বিষয়ে চিন্তা-চৰ্চা কৰিছে। অসম সাহিত্য সভাৰ কেন্দ্ৰীয় কাৰ্যালয় চন্দ্ৰকান্ত সন্দিকৈ ভৱনত কালি অনুষ্ঠিত এখন সভাত সভাপতি ড০ বসন্ত কুমাৰ গোস্বামীয়ে এই কথা সদৰি কৰে। অসমীয়া ভাষা শিক্ষণ, সাধুকথা কথন শীৰ্ষক এটা বিশেষ কাৰ্যসূচীত অংশগ্ৰহণ কৰি নৱনিৰ্বাচিত সভাপতিগৰাকীয়ে শিশুসকলক অসমীয়া ভাষাটো শুদ্ধকৈ ক'বলৈ, লিখিবলৈ আৰু পঢ়িবলৈ উদগনি যোগাবলৈ এই বিদ্যালয়খন খোলা হ'ব বুলি মন্তব্য কৰে। কালি বিশ্ব সাধুকথা কোৱা দিৱসৰ অংশ হিচাপে অনুষ্ঠিত কাৰ্যসূচীটোত ড০ গোস্বামীয়ে অসমীয়া ভাষাৰ স্বকীয়তা ৰক্ষা কৰিবলৈ সভাই অন্যান্য কাৰ্যসূচীও গ্ৰহণ কৰিছে বুলি জানিবলৈ দিয়ে। অসম প্ৰকাশন পৰিষদৰ উপাধ্যক্ষ সুমন্ত চলিহা আৰু অসম সাহিত্য সভাৰ কেন্দ্ৰীয় কাৰ্যালয়ৰ সম্পাদক ড০ জ্যোতিৰেখা হাজৰিকাই অসমীয়া ভাষা কথন আৰু উচ্চাৰণত বিশেষ গুৰুত্ব দি এলানি প্ৰশিক্ষণ কাৰ্যসূচী বিদ্যালয়সমূহত আয়োজন কৰাৰ পোষকতা কৰে।

ooooo

ডিব্ৰুগড়ৰ মুখ্যমন্ত্ৰীৰ সচিবালয়ত কালি দ্বিতীয়বাৰৰ বাবে অনুষ্ঠিত মন্ত্ৰীসভা বৈঠকত গ্ৰহণ কৰা সিদ্ধান্ত, ছত্তিশগড়ত সুৰক্ষা বাহিনীৰ সৈতে হোৱা সংঘৰ্ষত ৩০জন নক্সালবাদী নিহত হোৱা আৰু এ এম চিলৈ দেশৰ শ্ৰেষ্ঠ চিকিৎসা গৱেষণা বঁটা প্ৰদানৰ বাতৰিয়ে আজি গুৱাহাটীৰ পৰা প্ৰকাশিত প্ৰায় আটাইকেইখন বাতৰি কাকতত স্থান পোৱা পৰিলক্ষিত হৈছে।

দৈনিক অসম কাকতে গুৱাহাটী, ডিব্ৰুগড় আৰু শিলচৰত ২৪ ঘণ্টাই দোকান-পোহাৰ খোলা ৰখাৰ বাবে মন্ত্ৰীসভাই অনুমতি প্ৰদান কৰা বাতৰি নিশাও খোলা থাকিব দোকান-পোহাৰ শিৰোনামেৰে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। একেটা বাতৰি আটাইকেইখন কাকতে ভিন ভিন শিৰোনামেৰে প্ৰকাশ কৰিছে।

পৰীক্ষালৈ মাজত মাত্ৰ কেইঘণ্টামান বাকী থকা অৱস্থাত উচ্চতৰ মাধ্যমিকৰ প্ৰথম বৰ্ষৰ গণিতৰ পৰীক্ষা পিছুৱাই দিবলগীয়া হোৱাৰ বাতৰিক অসমীয়া প্ৰতিদিন কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে। আমাৰ অসম কাকতে ভাৰতত তথ্য প্ৰযুক্তি আইনৰ এটা নিৰ্দিষ্ট ধাৰাক লৈ কেন্দ্ৰীয় চৰকাৰে আগবঢ়োৱা ব্যাখ্যাৰ বিৰুদ্ধে ইলন মাস্ক মালিকাধীন সামাজিক মাধ্যম প্ৰতিষ্ঠান এক্স আদালতৰ দাৰস্থ হোৱাৰ বাতৰি বক্স বাতৰি হিচাপে প্ৰকাশ কৰিছে।

৬০০ বছৰীয়া আহোম ৰাজত্বকালৰ সোণালী ঐতিহ্য ৰংঘৰ সম্প্ৰতি অস্তিত্বৰ সংকটৰ সন্মুখীন হোৱা বুলি উল্লেখ কৰি **দৈনিক জনমভূমি** কাকতে - অস্তিত্বৰ সংকটত ঐতিহাসিক ৰংঘৰ শিৰোনামেৰে প্ৰকাশ কৰিছে।

নিয়মীয়া বাৰ্তা কাকতে অবৈধ বিজ্ঞাপন প্ৰচাৰৰ অভিযোগত দক্ষিণৰ ২৫গৰাকী চলচ্চিত্ৰ তাৰকাৰ বিৰুদ্ধে তেলেংগানা চৰকাৰে গোচৰ ৰুজু কৰাৰ বাতৰিক প্ৰথম পৃষ্ঠাত স্থান দিছে।

অসমীয়া খবৰ কাকতে মাধ্যমিক শিক্ষা সঞ্চালকে কালি বিভিন্ন জিলাৰ বিদ্যালয় পৰিদৰ্শকলৈ প্ৰেৰণ কৰা নিৰ্দেশক লৈ সদৌ অসম সন্মিলিত শিক্ষক মৰ্চাই আশ্চৰ্য প্ৰকাশ কৰা বাতৰি শিক্ষা সেতু এপত উপস্থিতি - সঞ্চালকৰ নিৰ্দেশত বিপাঙত শিক্ষক শিৰোনামেৰে প্ৰকাশ কৰিছে।

দৈনিক অগ্ৰদূত কাকতে আমেৰিকাৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পে মাৰ্কিন সামগ্ৰীত আৰোপিত শুল্ক কৰ্তন কৰিবলৈ ভাৰতক পুনৰ সকিয়নী দিয়া বুলি এটা বাতৰি প্ৰকাশ কৰিছে।

দি আছাম ট্ৰিবিউন কাকতে ছত্তিশগড়ত সুৰক্ষা বাহিনীৰ সৈতে হোৱা সংঘৰ্ষত ৩০জন নক্সালবাদী নিহত হোৱাৰ বাতৰি মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে। নিয়মীয়া বাৰ্তা, দৈনিক অগ্ৰদূত আদি কাকতেও একেটা বাতৰিক প্ৰথম পৃষ্ঠাত স্থান দিছে।

দ্য ছেণ্টিনেল কাকতে ৰাজ্যত দোষী সাব্যস্তকৰণৰ হাৰ বৃদ্ধি পোৱা আৰু অপৰাধৰ হাৰ হ্ৰাস পোৱা বুলি এটা বাতৰি প্ৰকাশ কৰিছে।

দ্য টাইমছ অব ইণ্ডিয়া কাকতে ৬ এপ্ৰিলত কলকাতা নাইট ৰাইডাৰ্ছ আৰু লক্ষ্ণৌ ছুপাৰ জায়েণ্টছৰ মাজত ইডেন গাৰ্ডেনছত হ'বলগীয়া আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ খেলখন সুৰক্ষাজনিত কাৰণত গুৱাহাটীলৈ স্থানান্তৰিত কৰাৰ যোজাৰ বাতৰিক প্ৰথম পৃষ্ঠাত স্থান দিছে।

০০০০০

পৰহিলৈ হ'বলগীয়া অসম শক্তি বিতৰণ কোম্পানী লিমিটেডৰ সহকাৰী গাণনিক বিষয়া পদৰ পৰীক্ষাৰ বাবে শোণিতপুৰ জিলা প্ৰশাসনে বিশেষ সতৰ্কতা অৱলম্বন কৰিছে। জিলাখনৰ তেজপুৰৰ তিনিটা পৰীক্ষা কেন্দ্ৰ ক্ৰমে দৰং মহাবিদ্যালয়, তেজপুৰ মহাবিদ্যালয় আৰু তেজপুৰ চৰকাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ত হ'বলগীয়া লিখিত পৰীক্ষা সুকলমে অনুষ্ঠিত কৰিবলৈ সকলো ব্যৱস্থা গ্ৰহণ কৰা হৈছে বুলি প্ৰশাসনে প্ৰকাশ কৰিছে। জিলা দণ্ডাধীশ অংকুৰ ভৰালীয়ে ভাৰতীয় নাগৰিক সুৰক্ষা সংহিতা ২০২৩ৰ ১৬৩ ধাৰাৰ অধীনত নিৰ্দেশনাৰ জৰিয়তে পৰীক্ষা কেন্দ্ৰৰ পৰা ১০০ মিটাৰ ব্যাসাৰ্দ্ধৰ এলেকাত প্ৰাৰ্থী, পৰীক্ষা পৰ্যবেক্ষক, কৰ্মচাৰী, সুৰক্ষা কৰ্মী আৰু চৰকাৰী কৰ্মচাৰীৰ বাহিৰে আন লোকৰ উপস্থিতি সম্পূৰ্ণ নিষিদ্ধ কৰিছে। পৰীক্ষাৰ

সময়ছোৱাত অঞ্চলটোত বাহন ৰখোৱা বা চলাচলৰ ক্ষেত্ৰত নিষেধাজ্ঞাৰ লগতে পৰীক্ষা কেন্দ্ৰৰ চৌপাশে দোকান বন্ধ ৰাখিবলৈ নিৰ্দেশ দিয়া হৈছে।

ooooo

আকাশবাণী গুৱাহাটীৰ আঞ্চলিক বাতৰি বিভাগে কাইলৈ নিশা ৮ বাজি ২ মিনিটত ইয়াৰ দৃষ্টিপাতত পৰিবেশ প্ৰদূষণ - নতুন ভাবুকি শীৰ্ষক এটা বিশেষ আলোচনা প্ৰচাৰ কৰিব। বাতৰি বিভাগৰ জ্যেষ্ঠ পৰিবেশিকা অৰুণিমা গোস্বামীয়ে আঁত ধৰিবলগীয়া এই অনুষ্ঠানত মেডিচিন বিভাগৰ বিশিষ্টা চিকিৎসক ডাঃ ৰুণজুন টেৰণপী আৰু পৰিবেশ কৰ্মী মুবিনা আখতাৰে সমল ব্যক্তিৰূপে অংশগ্ৰহণ কৰিব। অনুষ্ঠান চলি থকাৰ সময়ত শ্ৰোতাসকলে ০৩৬১-২৬৬১৮৭৬ আৰু ২৬৬২৩২৫ নম্বৰলৈ ফোন কৰি অনুষ্ঠানটোত পোনপটীয়াকৈ অংশ ল'ব পাৰিব। এই অনুষ্ঠান আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ ফেচবুক পেজ airnewsghy আৰু Youtube Channel airnewsGuwahati-যোগে পোনপটীয়াকৈ প্ৰচাৰ কৰা হ'ব।

ooooo

গুৱাহাটীৰ ভেটাপাৰাৰ মৌলানা মহম্মদ তৈয়াবুল্লাহ হকী ষ্টেডিয়ামত কালিৰে পৰা খেল' ইণ্ডিয়া অস্মিতা ৰাজ্যিক হকী লীগ প্ৰতিযোগিতা অনুষ্ঠিত হৈছে। এই প্ৰতিযোগিতাৰ জুনিয়ৰ আৰু ছাব জুনিয়ৰ উভয় শাখাতে আঠোটাকৈ দলে অংশগ্ৰহণ কৰিছে। অংশগ্ৰহণ কৰা দলসমূহৰ ভিতৰত নাহৰকটীয়া, ধেমাজি, বঙাইগাঁও, মাকুম, নগাঁও, শিলচৰ, ভেৰগাঁও আৰু তেজপুৰ আছে। অংশগ্ৰহণকাৰী দলসমূহক দুটা গ্ৰুপত ভাগ কৰা হৈছে আৰু গ্ৰুপৰ শীৰ্ষ দল দুটাই ছেমিফাইনেলত খেলাৰ যোগ্যতা লাভ কৰিব। জুনিয়ৰ শাখাৰ ফাইনেল ২৩ আৰু ছাবজুনিয়ৰ শাখাৰ ফাইনেল ২৬ মাৰ্চত খেলোৱা হ'ব।

ইপিনে, সৰ্বভাৰতীয় সাঁতোৰ সন্থাৰ সৌজন্যত আৰু অসম সাঁতোৰ সন্থা তথা যোৰহাট ছুইমিং ছ'চাইটিৰ উদ্যোগত কাইলৈ যোৰহাটত অস্মিতা খেল' ইণ্ডিয়া ২০২৪ৰ দ্বিতীয় ৰাউণ্ডৰ জুনিয়ৰ মহিলা সাঁতোৰ প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। যোৰহাট ছুইমিং ছ'চাইটিৰ জল ক্ৰীড়া প্ৰকল্পত প্ৰথমবাৰৰ বাবে অনুষ্ঠিত এই দুদিনীয়া ৰাষ্ট্ৰীয় প্ৰতিযোগিতাত অসমৰ উপৰি পশ্চিম বংগ, মেঘালয়, মণিপুৰ, অৰুণাচল প্ৰদেশ, ছিকিম, নাগালেণ্ড আৰু ত্ৰিপুৰাৰ মহিলা খেলুৱৈয়ে অংশগ্ৰহণ কৰিব।

ooooo

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত বতৰ আংশিকভাৱে ডাৱৰীয়া হৈ থকাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ৩২ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন তাপমাত্ৰা ১৫ দশমিক ৬ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

অহা ২৪ ঘণ্টাত অৰুণাচল প্ৰদেশ আৰু ত্ৰিপুৰাৰ ঠাই বিশেষে পাতলীয়াৰ পৰা মজলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে। অসম, মেঘালয়, নাগালেণ্ড, মিজোৰাম আৰু মণিপুৰৰ কেতবোৰ ঠাইত পাতলীয়া বৰষুণ হ'ব পাৰে বুলি বতৰ বিজ্ঞান বিভাগে জানিবলৈ দিছে।

ooooo

সমাপ্ত